**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 15-05-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***
**Headlines**
**-------------------**

মিজোৰামৰ কৃষি পদ্ধতি জনজাতিয় জীৱন শৈলীৰ সৈতে ওতপ্ৰোতভাৱে জড়িত হৈ আছে আৰু ৰাজ্যখনৰ উন্নয়নত কৃষি খণ্ডই বিশেষ ভূমিকা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় কৃষি, কৃষক কল্যাণ আৰু গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে আজি ৰাজ্যখনত উদ্যান শস্য মহাবিদ্যালয়ৰ বিদ্যায়তনিক চৌহদ ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে মুকলি কৰি দিয়া ভাষণত এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে তেতেলী, সুমথিৰা, কল, আম, মাটিকঁঠাল, বিলাহী, বেঙেনা আৰু লতাজাতীয় পাচলিকে ধৰি ভালেমান পাচলিৰ বাবে ৰাজ্যখনৰ জলবায়ু খুবেই অনুকূল। অৱশ্যে ৰাজ্যখনৰ কৃষি উৎপাদনৰ বাবে পৰ্যাপ্ত বৰষুণ হোৱা স্বত্বেও মুঠ কৃষিভূমিৰ ৪ দশমিক ৫ শতাংশহে কৃষিৰ বাবে ব্যৱহাৰ কৰা হৈছে বুলি তেওঁ মন্তব্য কৰে। তদুপৰি তৈল খেজুৰৰ উৎপাদন ৰাজ্যখনৰ কৃষি খণ্ডৰ বাবে উদ্ভাৱনীমূলক পদক্ষেপ হিচাপে বিবেচিত হৈছে। ২০২১-২২ বৰ্ষত ৰাজ্যখনৰ কৃষি আৰু সহযোগী খণ্ডসমূহে ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদনৰ গৰিষ্ঠ অংশ অধিকাৰ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। ৰাজ্যখনৰ জলবায়ু কৃষিৰ বাবে অত্যন্ত অনুকূল বুলি উল্লেখ কৰি মিজোৰামত সুগন্ধিযুক্ত আৰু ঔষধী উদ্ভিদ যেনে, তুলসী, অশ্বগন্ধা আদি উৎপাদনৰ ক্ষেত্ৰত বিশেষ সম্ভাৱনা আছে বুলি উল্লেখ কৰে।

ooo

মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মাই আজি গোৱালপাৰা জিলাৰ বালিজানা চক্ৰ ভাণ্ডাৰা গাঁৱত প্ৰস্তাৱিত চিকিৎসা মহাবিদ্যালয়ৰ স্থান পৰিদৰ্শন কৰে। ডº শৰ্মাই যাতায়াতৰ ব্যৱস্থা, অন্যান্য সা-সুবিধাকে ধৰি বিভিন্ন দিশৰ বুজ লৈ সকলো কাম নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে।

মুখ্যমন্ত্ৰীয়ে দ্বিতীয় এডভাণ্টেজ আচামত কৰা প্ৰতিশ্ৰুতি অনুসৰি বিলাসীপাৰাত তাপবিদ্যুৎ প্ৰকল্পৰ বাবে আৱণ্টিত ভূমিও পৰিদৰ্শন কৰে। এই প্ৰকল্পই ১০ হাজাৰৰো অধিক নিয়োগ সৃষ্টি তথা ৰাজ্যখনৰ শক্তি নিৰাপত্তাৰ দিশত উৎসাহ যোগাব বুলি তেওঁ আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণৰ অংশ হিচাপে জিলাখনৰ ৰাক্ষসিনী প্ৰস্তাৱিত সংৰক্ষিত বনাঞ্চলৰ ভূমিত শক্তি উদ্যান স্থাপনৰ বাবে ভূমি পৰিদৰ্শন কৰে। ৰাজ্যত বৰ্ধিত হাতী মানুহৰ সংঘাত সন্দৰ্ভত সাংবাদিকৰ এটা প্ৰশ্নৰ উত্তৰত ডº শৰ্মাই গোৱালপাৰা জিলাৰ লগতে ৰাজ্যখনৰ বিভিন্ন ঠাইত সৌৰ বেৰাৰ ব্যৱস্থা কৰাৰ উপৰি হাতীৰ খাদ্যৰ বাবে উপযোগী গছপুলি ৰোপণৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰে।

ooo

পেহেলগামৰ বৰ্বৰোচিত আক্ৰমণৰ ঘটনাৰ প্ৰত্যুত্তৰত পাকিস্তানৰ সন্ত্ৰাসবাদীৰ বিৰুদ্ধে ভাৰতে চলোৱা অপাৰেচন সিন্দূৰৰ সফলতা উদযাপনৰ উদ্দেশ্যেৰে বিজেপিয়ে আৰম্ভ কৰা ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী ৰাজ্যৰ বিভিন্ন প্ৰান্ততো ৰূপায়ন কৰা হয়। ধেমাজি জিলাত আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে এই যাত্ৰাৰ নেতৃত্ব দিয়ে। চিলাপথাৰত প্ৰাক্তন সেনা জোৱানৰ লগত ত্ৰিৰংগা হাতত লৈ শিক্ষামন্ত্ৰীগৰাকীয়ে সাংসদ প্ৰদান বৰুৱা আৰু বিধায়ক ভূবন পেগুৰ সৈতে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

শিলচৰতো ১১ দিনীয়া ত্ৰিৰংগ যাত্ৰা কাৰ্যসূচী পালন কৰা হৈছে। দুৰ্বাদল বৰষুণৰ মাজতো ছাত্ৰ-ছাত্ৰী, ক্ৰীড়া সংগঠন, সাংস্কৃতিক গোষ্ঠী আৰু নাগৰিক সমাজৰ উপস্থিতিত সেনা বাহিনীৰ বীৰত্বপূৰ্ণ প্ৰত্যুত্তৰক সন্মান জনাই ৰাষ্ট্ৰীয় পতাকা হাতত লৈ পদযাত্ৰা কৰা হয়। বৰাক উপত্যকা উন্নয়ন বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে এই যাত্ৰাত অংশগ্ৰহণ কৰে।

যোৰহাটতো জিলা বিজেপিৰ সভাপতি শান্তনু পূজাৰীৰ নেতৃত্বত ত্ৰিৰংগা যাত্ৰা কৰা হয়।

০০০

মণিপুৰৰ ভাৰত-ম্যানমাৰ সীমান্তৱৰ্তী চান্দেল জিলাৰ খেনজয় মহকুমাৰ নিউ চোমতাল গাঁৱত অসম ৰাইফলছৰ জোৱানৰ সৈতে হোৱা সংঘৰ্ষত কমেও ১০ জন সন্দেহযুক্ত উগ্ৰপন্থী গোটৰ সদস্য নিহত হয়। সেনাৰ ইষ্টাৰ্ণ কমাণ্ডে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰা অনুসৰি চোৰাংচোৱাৰ তথ্যৰ ভিত্তিত জোৱানসকলে এই অঞ্চলটোত অভিযান চলোৱাৰ সময়তে সন্দেহযুক্ত গোটটোৰ সদস্যসকলে সেনা-জোৱানসকলক উদ্দেশ্যি গুলীচালনা কৰে। প্ৰত্যুত্তৰত সেনাৰ গুলীচালনাত ১০ জন সদস্যৰ মৃত্যু হয়। অঞ্চলটোৰ পৰা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ কৰা হয়। অসম ৰাইফলছৰ সূত্ৰই প্ৰকাশ কৰা মতে, এই অভিযানৰ ইতিমধ্যে অন্ত পৰিছে আৰু মৃতদেহ কেইটা চিনাক্তকৰণৰ বাবে ৰখা হৈছে। অভিযানত নিৰাপত্তা বাহিনীৰ কোনো জোৱান হতাহত হোৱা নাই বুলি সূত্ৰটোত প্ৰকাশ পাইছে।

০০০

শিক্ষা, ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণীৰ কল্যাণ বিভাগৰ মন্ত্ৰী ড০ ৰণোজ পেগুৱে আজি ধেমাজিৰ চমৰাজানৰ ভজু গাঁৱত ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত নিৰ্মাণ কৰা কালভাৰ্টটো পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ বুজ লয়। প্ৰতি বাৰিষা জীয়াঢল নৈৰ সুঁতি ব্ৰহ্মজানৰ বাঢ়নি পানীয়ে যাতায়াত ব্যৱস্থাত সৃষ্টি কৰা সমস্যাৰ পৰিপ্ৰেক্ষিতত এই কালভাৰ্টটো নিৰ্মাণৰ ব্যৱস্থা কৰা হৈছে। মন্ত্ৰীগৰাকীয়ে নিৰ্মাণকাৰী প্ৰতিস্থানক বাৰিষাৰ আগতে নিৰ্মাণ কাৰ্য শেষ কৰিবলৈ নিৰ্দেশ দিছে।

০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি জলসম্পদ বিভাগৰ নগাঁও সংমণ্ডলত ৰহা আৰু বৰহমপুৰ বিধানসভা সমষ্টিত নিৰ্মিয়মান মথাউৰিসমূহৰ কামকাজৰ অগ্ৰগতিৰ বুজ লয়। হোজাই জিলাক বানমুক্ত কৰাৰ পদক্ষেপ হিচাপে কপিলী নৈৰ সোঁপাৰে খাৰিখানাৰ পৰা যোগীজানলৈ নিৰ্মাণ কৰি থকা নতুন মথাউৰি নিৰ্মাণ কাৰ্যৰ আজি মন্ত্ৰীগৰাকীয়ে পৰিদৰ্শন কৰে। প্ৰায় ৮৫ শতাংশ কাম সম্পূৰ্ণ হোৱা মথাউৰিটো নিৰ্মাণ সুকলমে আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে সংবাদমাধ্যক জানিবলৈ দিয়ে। শ্ৰী হাজৰিকাই যমুনা মুখৰ চিকামাৰি আৰু কমাৰগাঁৱত কপিলী নৈৰ ভগ্ন মথাউৰি পৰিদৰ্শন কৰি বাৰিষাৰ আগতে দুয়ো ঠাইতে মথাউৰি নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। বিভাগীয় বিষয়াসকলক এই বিষয়ে নিৰ্দেশ দি মন্ত্ৰী শ্ৰী হাজৰিকাই বৰহমপুৰ সমষ্টিৰ অন্তৰ্ভুক্ত যমুনামুখত ১০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি অৱগত কৰে। মন্ত্ৰীগৰাকীয়ে  ঠেপলাগুৰিত নিৰ্মিয়মান মথাউৰিৰ কামৰ অগ্ৰগতিৰো বুজ লয়।

০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃ